**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 10-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

রাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে কাইলৈ মনোনয়ন পত্ৰ দাখিল পৰ্বৰ সামৰণি পৰিব। জিলা প্ৰশাসনসমূহে নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে আগতীয়াকৈ সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজ্যৰ বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনী তৎপৰতা দেখিবলৈ পোৱা গৈছে।

অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিজেপিয়ে দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। বিজেপিয়ে অগপ, ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতি আৰু গণ শক্তিৰে মিত্ৰজোঁট গঠন কৰি আসন্ন পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইপিনে ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছে আভ্যন্তৰীণ সংঘাতৰ বাবে এতিয়ালৈকে প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰিব পৰা নাই।

কাছাৰ জিলাতো মন্ত্ৰী কৌশিক ৰায়, সাংসদ পৰিমল শুক্লবৈদ্যসহ কেইবাজনো জ্যেষ্ঠ নেতাৰ উপস্থিতিত আজি বিজেপিৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ২৫ খন জিলা পৰিষদৰ আসনৰ দুখনত অগপ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। দৰং জিলাৰ ১২ টা জিলা পৰিষদৰ সমষ্টিৰ ৮টাত বিজেপিয়ে আৰু বাকী ৪ টাত অগপ দলে প্ৰাৰ্থীত্ব আগবঢ়াব।

মৰিগাঁও, বজালী, মানকাচৰ, বজালী, বৰপেটা, শোণিতপুৰ, ধেমাজি, শিৱসাগৰ, হোজাই আদি জিলাত প্ৰাৰ্থীসকলে মনোনয়ন দাখিল কৰে।

ooooo

আজি দুপৰীয়াৰ ভাগত ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি অহা এজাক ধুমুহা-বৰষুণে বিস্তৰ ক্ষতিসাধন কৰে। ধুমুহাৰ ফলত গছ-গছনি ৰাজপথতে বৃহৎ গছ উভালি পৰাত পথ যোগাযোগ ব্যাহত হৈ পৰে। কোনো ঠাইত বিদ্যুতৰ তাঁৰ ছিগি পৰাৰ ফলত বিদুৎ সৰবৰাহ ব্যাহত হয়। আমাৰ হোজাই জিলাৰ সংবাদদাতাই জনোৱা মতে জিলাখনৰ যমুনামুখৰ কাঠকতিয়া লাহৰি প্ৰাথমিক বিদ্যালয়ত এডাল গছ উভালি পৰাত বিদ্যালয়খনৰ দেৱাল ভাগি পৰে। জিলাখনৰ ডবকা অঞ্চলতো ধুমুহাৰ ফলত বিদ্যুতৰ তাঁৰ ছিগি বিদ্যুৎ সেৱা ব্যাহত হয়।

ইপিনে নগাঁও জিলাতো আজি অহা প্ৰচণ্ড ধুমুহা বৰষুণৰ ফলত জিলাখনৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈ পৰে। এই ধুমুহাত গছ-গছনি ভাগি পৰাৰ ফলত ঘৰ-দুৱাৰৰ বিস্তৰ ক্ষতি হয়। বিদ্যুতৰ তাঁৰ ছিগি পৰাৰ ফলত জিলাখনৰ কোনো কোনো অঞ্চল এতিয়াও আন্ধাৰত  ডুব গৈ আছে যদিও বিভাগীয় বিষয়া কৰ্মচাৰীসকলে বিদ্যুৎ যোগান ধৰাৰ ক্ষেত্ৰত তৎপৰতা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

ooooo

কেন্দ্ৰীয় কৰ্মচাৰী, পেন্সন আৰু ৰাজহুৱা অভিযোগ দপ্তৰৰ মন্ত্ৰী জীতেন্দ্ৰ সিঙে আজি গুৱাহাটীত কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে আয়োজিত অৱসৰ পূৰ্বৰ পৰামৰ্শ কৰ্মশালা আৰু ভাৰতীয় ষ্টেট বেংকৰ নৰম বেংকাৰ সজাগতা অনুষ্ঠান মুকলি কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ সৈতে মত বিনিময় কৰি কয়, যে কেন্দ্ৰীয় চৰকাৰে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ পেন্সন প্ৰক্ৰিয়া সহজ কৰি তোলাত গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে কয়, যে অৱসৰপ্ৰাপ্ত লোকসকলৰ প্ৰতিভাক চিনাক্ত কৰি যথোপোযুক্তভাৱে কামত নিয়োজিত কৰাৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব দিছে।

০০০০০

মৰিগাঁও পকছ' আদালতে আজি জিলাখনৰ ইনামূল ইছলাম নামৰ এজন লোকক ২০ বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। ইনামূল ইছলামৰ বিৰুদ্ধে লাহৰিঘাট আৰক্ষী থানাত এগৰাকী নাবালিকা ধৰ্ষণৰ গোচৰ ৰুজু হৈ আছিল। এই গোচৰৰ দীৰ্ঘ শুনানিৰ অন্তত আজি জিলা পকছ' আদালতে ২০ বছৰ কাৰাদণ্ডৰ লগতে ২০ হাজাৰ টকাৰ জৰিমনা বিহে।

ইফালে একেখন আদালতে মায়ঙৰ বিনন্দ চৰকাৰ নামৰ আন এজন নাবালিকা ধৰ্ষণকাৰীক ৫ বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰাৰ লগতে ৫ হাজাৰ টকাৰ জৰিমনা বিহিছে।

০০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে আজি খোৱাং সমজিলাত উপস্থিত হৈ পঞ্চায়ত নিৰ্বাচনৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। জিলা আয়ুক্তগৰাকীয়ে পঞ্চায়ত নিৰ্বাচনৰ সামগ্ৰী বিতৰণ আৰু সম্ভাব্য ষ্ট্ৰং ৰুমৰ স্থান পৰিদৰ্শন কৰে। জিলা আয়ুক্তগৰাকীৰ সৈতে লোক নিৰ্মাণ, গৃহ, বিদ্যুৎ আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগ তথা খোৱাং সমজিলা কাৰ্যালয়ৰ বিষয়াবৰ্গও উপস্থিত থাকে।

০০০০০

বাকসা জিলাৰ কাচিট্টাৰীত আজি এটা পথ দুৰ্ঘটনাত জিলাখনৰ শিমলাগুৰিৰ মণ্টু স্বৰ্গীয়াৰী নামৰ এজন ট্ৰেক্টৰ চালক নিহত হয়। আৰক্ষীসূত্ৰই জনোৱা মতে মাটি কঢ়িয়াই নিয়া এখন ট্ৰেক্টৰে নিয়ন্ত্ৰণ হেৰুৱাই পথত দাঁতিত বাগৰি পৰি চালকজন হেঁচা মৰি ধৰে। ফলত চালক মিণ্টু স্বৰ্গীয়াৰী থিতাতে নিহত হয়।

০০০০০

আবৃত্তি এটা পৰিৱেশ্য কলা হ'ব পাৰেনে? সংগীত নাটক একাডেমীয়ে অসমীয়া ভাষাৰ আবৃত্তিক পৰিৱেশ্য কলাৰ স্বীকৃতি দিয়াৰ ক্ষেত্ৰত উদ্ভৱ হোৱা বিভিন্ন বিষয়ক আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে ১২ এপ্ৰিলৰ শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আবৃত্তিৰ সৈতে জড়িত কেইবাগৰাকীও ব্যক্তিয়ে মতামত আগবঢ়াব।

আকাশবাণীৰ বাতৰি বিভাগে ১৩ এপ্ৰিল দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত অসমৰ বিভিন্ন জনগোষ্ঠীৰ পৰম্পৰাগত ৰঙালী বিহু পালনৰ বিষয়ে এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই দুয়োটা অনুষ্ঠানৰ প্ৰযোজনা আৰু পৰিচালনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ ঐতিহাসিক মদন কামদেৱ দেৱালয়ত আজি মদন ত্ৰয়োদশী উৎসৱ পালন কৰা হয়। ইয়াৰ সৈতে সংগতি ৰাখি ধৰ্মধ্বজা উত্তোলন কৰা হয়। কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই উৎসৱৰ পতাকা উত্তোলন কৰে। পৰম্পৰাগতভাৱে চ'ত মাহৰ শুক্লা ত্ৰয়োদশী তিথিত এই দেৱালয়ত কামদেৱৰ পুনৰ জনম হোৱা বুলি থকা জনবিশ্বাস অনুসৰি এই উৎসৱ পালন কৰি অহা হৈছে। তিথি উপলক্ষে দেৱালয়ত আজি হোম-যজ্ঞ আৰু আয়তীসকলৰ নাম প্ৰসংগও অনুষ্ঠিত হয়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে ডেলহি কেপিটেলছক জয়ৰ বাবে ১৬৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ডেলহি কেপিটেলছে টছ্‌ট জিকি ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। বেটিং আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৭ টা উইকেট হেৰুৱাই ১৬৩ ৰান সংগ্ৰহ কৰে। বেংগালুৰুৰ হৈ ফিলিপ ছল্টে সৰ্বাধিক ১৭ টা বলত ৩৭ ৰান আৰু টিম ডেভিডে ২০ টা বলত ৩৭ ৰান সংগ্ৰহ কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ